**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 04-09-2025
**Time :** 21-25  Hrs

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

সমগ্ৰ শিক্ষা অসম আৰু টাটা নেলকোই ৰাজ্যৰ মাধ্যমিক বিদ্যালয়সমূহত দক্ষতা শিক্ষাৰ ক্ষেত্ৰত হাব এণ্ড স্প'ক আৰ্হি  ৰূপায়ণৰ উদ্দেশ্যে দুহেজাৰ ৪৪০ কোটি টকাৰ প্ৰকল্পৰ বাবে এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। এই প্ৰকল্পৰ বাবে টাটা নেলকোই ৭৫ শতাংশ আৰু ৰাজ্য চৰকাৰে ২৫ শতাংশ পুঁজি যোগান ধৰিব।

হাব এণ্ড স্প'ক ম'ডেলত হাব বিদ্যালয়সমূহে চৌপাশৰ একাংশ স্প'ক বিদ্যালয়ৰ বাবে সমল আৰু প্ৰশিক্ষণ কেন্দ্ৰ হিচাপে কাম কৰে। স্প'ক বিদ্যালয়সমূহে হাব বিদ্যালয়সমূহৰ পৰা সহায় আৰু প্ৰয়োজনীয় দিহা-পৰামৰ্শ লাভ কৰে।

প্ৰকল্পৰ প্ৰথম পৰ্য্যায়ত ১০ খন হাব বিদ্যালয় আৰু ৭০ খন স্প'ক বিদ্যালয় আৰু দ্বিতীয় পৰ্য্যায়ত ৪০ খন হাব আৰু ৪৩০ খন স্প'ক বিদ্যালয় মুকলি কৰা হ'ব। প্ৰতিখন হাব বিদ্যালয়ে ১০ টা নিত্য নতুন দক্ষতা খণ্ডৰ আৰু প্ৰতিখন স্প'ক বিদ্যালয়ে দুটা খণ্ডৰ পৰিচালনা কৰিব। এই প্ৰকল্পৰ অধীনত কৃত্ৰিম উপগ্ৰহ আধাৰিত যোগাযোগ ব্যৱস্থাৰে বিশেষজ্ঞ পৰ্য্যায়ৰ প্ৰশিক্ষণ প্ৰদান কৰা হ'ব আৰু প্ৰতিখন হাব আৰু স্প'ক বিদ্যালয়ত দুগৰাকীকৈ প্ৰশিক্ষক থাকিব। এই আৰ্হিৰ অধীনত কৃত্ৰিম বুদ্ধিমত্তা, ইণ্ডাষ্ট্ৰিয়েল ইণ্টাৰনেট অৱ থিংছ, ৰব'টিকছ এণ্ড মোচন কণ্ট্ৰোল, এ আৰ ভি আৰ, থ্ৰি ডি প্ৰিণ্টিং, ড্ৰ'ণ প্ৰযুক্তি, যান-বাহন আৰু বৈদ্যুতিক বাহন প্ৰযুক্তি, ডিজাইন আৰু উদ্ভাৱন, হোম ইলেক্ট্ৰনিকছ, কম্পিউটাৰ এইডেড মেচিনিং আদি পাঠ্যক্ৰম প্ৰৱৰ্তন কৰা হ'ব।

ooooo

শিক্ষক, দাৰ্শনিক তথা অক্সফোৰ্ড বিশ্ববিদ্যালয়ৰ অধ্যাপক প্ৰাক্তন ৰাষ্ট্ৰপতি সৰ্বেপল্লী ৰাধাকৃষ্ণণৰ জন্মদিনৰ লগত সংগতি ৰাখি সমগ্ৰ দেশত কাইলৈ ৰাষ্ট্ৰীয় শিক্ষক দিৱস উদযাপন কৰা হ'ব। এই উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে অনবদ্য সেৱা আগবঢ়োৱা দেশৰ মুঠ ৬৬ গৰাকী শিক্ষকক ৰাষ্ট্ৰীয় কৃতি শিক্ষক বঁটাৰে সন্মানিত কৰিব। ইয়াৰ ভিতৰত উত্তৰ-পূৰ্বাঞ্চলৰ ৯ গৰাকী শিক্ষক আছে। ইয়াৰে দুগৰাকী উচ্চ শিক্ষা বিভাগৰ আৰু আন ৭ গৰাকী বিদ্যালয় শিক্ষা বিভাগৰ। অসম-অৰুণাচল সীমান্তৰ অতি পিছপৰা অঞ্চল নামচাং চাহ বাগিচা আদৰ্শ বিদ্যালয়ৰ শিক্ষক দেৱজিৎ ঘোষ এই সন্মানীয় কৃতি শিক্ষক বঁটাৰ বাবে নিৰ্বাচিত হৈছে।

ooooo

ৰাজ্য চৰকাৰে চাহ বাগিচাসমূহত ভ্ৰাম্যমান শৌচালয় প্ৰদানৰ অভিলাষী আঁচনি ৰূপায়ণ কৰিছে। চাহ শ্ৰমিকসকলে বাগিচাত কাম কৰাৰ সময়ত যাতে প্ৰয়োজন সাপেক্ষে পৰিষ্কাৰ শৌচালয় ব্যৱহাৰ কৰিব পাৰে তাৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে এই ব্যৱস্থা গ্ৰহণ কৰিছে। এই আঁচনিৰ অধীনত আজি নগাঁও জনস্বাস্থ্য কাৰিকৰী বিভাগৰ কাৰ্যালয়ৰ চৌহদত বঢ়মপুৰ সমষ্টিৰ অন্তৰ্গত ১০ খন চাহ বাগিচাক ভ্ৰাম্যমান শৌচালয় আনুষ্ঠানিকভাৱে

প্ৰদান কৰা হয়। এই কাৰ্যসূচীত অংশ লৈ বৰমপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামীয়ে স্বচ্ছতা আৰু জনস্বাস্থ্যৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্য চৰকাৰে গ্ৰহণ কৰা এই প্ৰচেষ্টাৰ শলাগ লয়।

০০০০০

সমাগত বিটিচি নিৰ্বাচনৰ বাবে আজি মনোনয়ন পত্ৰ পৰীক্ষা-নিৰীক্ষাৰ পাছত নিৰ্বাচন আয়োগে বৈধ প্ৰাৰ্থীসকলৰ তালিকা প্ৰকাশ কৰে। এই অনুসৰি ৩১ নম্বৰ খৈৰাবাৰীত মুঠ ৭ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ বৈধ ঘোষণা কৰা হয়। ৩২ নম্বৰ ভেৰগাওঁ জনজাতি সংৰক্ষিত পৰিষদীয় সমষ্টিত ৯ গৰাকী, ৩৩ নম্বৰ ননৈ চেৰফাং অ-জনজাতি সংৰক্ষিত সমষ্টিত ৬ গৰাকী, ৩৪ নম্বৰ খালিং দুৱাৰ জনজাতি সংৰক্ষিত সমষ্টিত ৭ গৰাকী, ৩৫ নম্বৰ মুদৈবাৰী সমষ্টিত ১০ গৰাকী, ৩৬ নম্বৰ হৰিশিঙা জনজাতি সংৰক্ষিত সমষ্টিত ৫ গৰাকী, ৩৭ নম্বৰ ধনশিৰি জনজাতি সংৰক্ষিত সমষ্টিত ছগৰাকী, ৩৮ নম্বৰ ভৈৰৱকুণ্ড জনজাতি সমষ্টিত ৮ গৰাকী, ৩৯ নম্বৰ পাছনৈ ছেৰফাং অ-জনজাতি সংৰক্ষিত সমষ্টিত ৭ গৰাকী আৰু ৪০ নম্বৰ ৰৌতা জনজাতি সংৰক্ষিত সমষ্টিত ছগৰাকী প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ বৈধ ঘোষণা কৰা হয়।

০০০০০

কামৰূপ জিলাৰ আমিনগাওঁস্থিত সংহত জিলা কাৰ্যালয়ৰ সভাকক্ষত আজিৰে পৰা দহ দিনীয়া কাৰ্যসূচীৰে সংকল্প মহিলা সৱলীকৰণৰ অধীনত বিশেষ সজাগতা অভিযানৰ শুভাৰম্ভ কৰা হয়। এই অভিযান জিলা সমাজ কল্যান বিভাগৰ উদ্যোগত আৰু সংকল্প জিলা মহিলা সৱলীকৰণ কেন্দ্ৰৰ সহযোগত আয়োজন কৰা হৈছে। কামৰূপ জিলাৰ অতিৰিক্ত জিলা আয়ুক্ত সুজাতা গগৈয়ে শুভাৰম্ভ কৰা এই অভিযান মুকলি অনুষ্ঠানত নাৰী সুৰক্ষাৰ সৈতে জড়িত বিভিন্ন আইন সন্দৰ্ভত উপস্থিত লোকসকলক অৱগত কৰোৱা হয়। আয়ুক্তগৰাকীয়ে লগতে এখন জিলাত এনে আইন ৰূপায়ণৰ দায়িত্বত থকা চৰকাৰী সংস্থাসমূহ সন্দৰ্ভত ৰাইজৰ মাজত সজাগতাৰ অভাৱ বুলি ভাষণত প্ৰকাশ কৰে। এই অনুষ্ঠানত অংশগ্ৰহণকাৰীসকলৰ লগতে আৰক্ষী আৰু বিভিন্ন বিভাগৰ বিষয়া কৰ্মচাৰীসকল উপস্থিত থাকে। ০

০০০০০

গুৱাহাটীৰ চেনীকুঠিত অৱস্থিত কামৰূপ একাডেমী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত পৰহিলৈ যুৱক-যুৱতীসকলৰ বাবে পৰিপুষ্টি বিষয়ক শিক্ষা আৰু কেৰিয়াৰ পৰামৰ্শ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। গুৱাহাটীৰ ইনাৰ হুইল ক্লাবৰ উদ্যোগত আয়োজন কৰা এই অনুষ্ঠানত নৰ্থ ইষ্ট কেঞ্চাৰ হস্পিতাল আৰু গৱেষণা প্ৰতিষ্ঠানে সহযোগ আগবঢ়াব।

০০০০০

ডিব্ৰুগড় ডিলাৰ ডুলিয়াজানৰ এক নম্বৰ  বৰপথাৰ আমতল অঞ্চলত পথাৰৰ পুখুৰীত মাছ মাৰিবলৈ গৈ বিজু গৰ নামৰ এজন যুৱকৰ সলিল সমাধি ঘটে। স্থানীয় ৰাইজে পুখুৰীত মৃত যুৱকজনক দেখাৰ লগে লগে আৰক্ষীক খবৰ দিয়ে। ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰে আৰু মৰনোত্তৰ পৰীক্ষাৰ বাবে ডিব্ৰুগড় চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰে।

০০০০০

ঃঃ সমাপ্ত ঃঃ